بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**খায়বৰ আৰু ৰাদিল কুৰা যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা তথা মাননীয় মাউলানা মহম্মদ কৰিম উদ্দিন চাহাব শ্বাহিদ ছদৰ ছদৰ আঞ্জুমান আহমদীয়া ভাৰতৰ সদগতিৰ উল্লেখ**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৪ এপ্ৰিল ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, ৰমজানৰ আগতে আঁহজৰত (ছাঃ)ৰ জীৱনীৰ দিশ সমূহ যুদ্ধৰ প্ৰসংগত বৰ্ণনা হৈ আছিল; এই সন্দৰ্ভত খায়বৰৰ যুদ্ধৰ ঘটনা সম্পৰ্কে বৰ্ণনা হৈ আছিল। আজি মই সেই সন্দৰ্ভত কিছু বৰ্ণনা কৰিম। খায়বৰ বিজয় লাভৰ লগতে সেই দিনবোৰতে আঁহজৰত (ছাঃ)ৰ বাবে আৰু এটা আনন্দৰ বাৰ্তা আছিল সেই আনন্দ সন্দৰ্ভত তেখেত (ছাঃ)য়ে কৈছে যে মই খায়বৰ বিজয় লাভ হোৱাত বা হজৰত জাফৰ (ৰাঃ)ৰ মুহাজিৰ হাবশাৰ সৈতে হাবশালৈ উভতি অহাত অধিক আনন্দ হৈছিলো সেয়া ব্যাখ্যা কৰিব নোৱাৰিম। ছুলাহ হুদায়বিয়াৰ পিছত নবী কৰিম (ছাঃ)য়ে নিজাশ্বীৰ ফালে এখন পত্ৰ প্ৰেৰণ কৰিছিল যে এতিয়া যিমান মুছলমান তাতে ৰৈ গৈছে তেওঁলোকক মোৰ ওচৰত মদিনালৈ পঠাই দিয়ক। অৰ্থাৎ বিদেশত চৌধ্য পোন্ধৰ বছৰ জীৱন অতিবাহিত কৰাৰ পিছত এই লোকসকলে দুখন নাওত যাত্ৰা কৰি মদিনা গৈ পায়। তেওঁলোকে যেতিয়া জানিব পাৰে যে তেখেত (ছাঃ)য়ে খায়বৰৰ ফালে গৈছে তেতিয়া আঁহজৰত (ছাঃ)ৰ সৈতে তৎক্ষণাত সাক্ষাৎ কৰাৰ ব্যাকুলতাৰ বাবে মদিনাত অৱস্থান কৰাৰ পৰিৱৰ্তে খায়বৰ ফালে যাত্ৰা কৰে। সেইসকল লোকৰ সৈতে হজৰত আবু মুছা আশআৰী (ৰাঃ)ও নিজৰ জাতিৰ পঞ্চাছ জনতকৈ অধিক লোকৰ সৈতে মদিনালৈ গৈছিল। তেওঁলোকৰ সৈতে দোছ কবিলাৰো কিছুমান লোক আহি গৈছিল, ইয়াৰ মাজত আবু হুৰায়ৰা (ৰাঃ), তুফেল বিন আমৰ (ৰাঃ)তথা তেওঁৰ লগৰীয়াও আছিল। আশ্বজা কবিলাৰো লোক আহি উপস্থিত হৈছিল। ৰছুলে কৰিম (ছাঃ)য়ে তাত

উপস্থিত হোৱা লোক সকলক খায়বৰৰ ধন-সম্পদৰ পৰা কিছু দান কৰিছিল।

হজৰত জাফৰ (ৰাঃ)আৰু তেওঁৰ সৈতে যিসকল আন আন মুছলমান নাওৰ জৰিয়তে যাত্রা কৰি আহি উপস্থিত হৈছিল, তেওঁলোকক আচহাবে ছাফিনাহ (নাওৰ সংগী) বুলি কোৱা হৈছিল। তেওঁলোকৰ মদিনাত অৱস্থান কৰাৰ পোন্ধৰ বছৰ অতিবাহিত হৈ গৈছিল, ইয়াৰে মাজৰ মুহাজিৰ মুছলমান সকলে কেইবাটাও যুদ্ধত অংশ গ্ৰহণ কৰিছিল আৰু প্ৰব্ৰজনত শ্ৰেষ্ঠত্ব লাভ কৰিছিল; আৰু জানিব পৰা যায় যে পৰস্পৰৰ মাজত এই আলোচনা হ'ব ধৰিলে যে আমি তেওঁলোকতকৈ অধিক গুণী। এবাৰ হজৰত জাফৰ (ৰাঃ)ৰ ঘৈনিয়েক হজৰত আছমা বিনতে আমিছ (ৰাঃ)য়ে উম্মুল মোমিনিন হজৰত হাফচা (ৰাঃ)ৰ সৈতে সাক্ষাৎ কৰাৰ বাবে উপস্থিত হয়; তাতে হজৰত উমৰ (ৰাঃ)ও আছিল। তেখেত (ৰাঃ)য়ে সুধিলে যে এই মহিলা গৰাকী কোন হয় ? অৱগত হোৱাৰ পিছত হজৰত উমৰ (ৰাঃ)য়ে ক'ব ধৰিলে যে আমি মদিনাত প্ৰব্ৰজন কৰাৰ সকলৰ মাজত তোমালোকতকৈ অধিক শ্ৰেষ্ঠত্ব লাভ কৰিছোঁ; সেই কাৰণে আমি তোমালোকতকৈ অধিক ৰছুলে কৰিম (ছাঃ)ৰ সান্নিধ্যত আছো। এয়া শুনি তাই দুখিত হৈ খং কৰি কলে যে আল্লাৰ শপত ! এনেকুৱা কেতিয়াও হ'ব নোৱাৰে। তোমালোকে ৰছুলে কৰিম (ছাঃ)ৰ লগতে অৱস্থান কৰিছে, তেখেতে তোমালোকৰ ভোকাতুৰক খাদ্যৰ যোগান ধৰিছে, তোমালোকৰ কম জ্ঞানী সকলক উপদেশ দিছে। আমি নিজৰ দেশৰ পৰা দূৰ বিদেশত দীৰ্ঘ দিন শত্ৰুৰ দেশত অৱস্থান কৰিছোঁ, তাতে ভিন্ন প্ৰকাৰ ভীতিৰ সঞ্চাৰ সৃষ্টি হৈছিল। এই সকলোবোৰ দুখ আল্লাহ আৰু সেইজনাৰ ৰছুলৰ স্বাৰ্থত সহ্য কৰিছোঁ। খোদাৰ শপত ! মই তেতিয়ালৈকে খাদ্য নাখাম যেতিয়ালৈকে ৰছুলুল্লাহ (ছাঃ)ক এই সম্বন্ধে সুধি নলওঁ। তাৰ পিছত তাই নবী কৰিম (ছাঃ)ৰ সন্মুখত উপস্থিত হৈ এই সকলোবোৰ কথা বৰ্ণনা কৰিলে। ইয়াৰ পিছত ৰছুলে কৰিম (ছাঃ)য়ে কলে যে তেওঁলোকে তোমালোকতকৈ বেছি অধিকাৰ নাৰাখে, বৰঞ্চ তেওঁৰ আৰু তেওঁৰ লগৰীয়া সকলৰ এটা প্ৰব্ৰজন আছিল। তোমাৰ অৰ্থাৎ হাবশাৰ ফালে নাওৰ জৰিয়তে যাত্ৰা কৰা সকলৰ দুটা প্ৰব্ৰজন হয়।

তাতে এজন হাৱশী কৃতদাস ইছাৰ যিজন মুছলমান হৈ গৈছিল, তেওঁৰ শ্বাহাদতৰ কথা উল্লেখ পোৱা যায়, বৰ্ণনাত আছে যে তেওঁ এজন ব্যক্তিৰ ছাগলী চৰোৱা কৰিছিল। তেওঁৰ হৃদয়ত ৰছুলে কৰিম (ছাঃ)ৰ স্মৃতি বহি গৈছিল। তেওঁ ছাগলীক চৰোৱাৰ বাবে ওলাই পৰিল, মুছলমান সকলে তেওঁক ধৰি লৈ ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত লৈ আহে বা এটা বিস্তাৰিত ব্যাখ্যাৰ বৰ্ণনা অনুযায়ী তেওঁ নিজেই ছাগলী লৈ আহি ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত উপস্থিত হৈছিল। ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁৰ সৈতে কথা-বতৰা পাতে। সেই কৃতদাসে কলে যে যদি মই আল্লাহৰ ওপৰত বিশ্বাস স্থাপন কৰো তেন্তে মোৰ কি লাভ হ'ব ? ৰছুলে কৰিম (ছাঃ)কলে যে যদি তুমি আল্লাহৰ ওপৰত বিশ্বাস স্থাপন কৰা তেন্তে তুমি বেহেস্ত লাভ কৰিব পাৰিবা। সেই কৃতদাসজনে ইছলাম গ্ৰহণ কৰে আৰু কয় হে আল্লাহৰ ৰছুল ! যদি মই তেওঁলোকৰ লগত যুঁজি থকা অৱস্থাত মোক হত্যা কৰি পেলোৱা হয় তেতিয়াও মই বেহেস্তত প্ৰৱেশ কৰিব পাৰিম নে ? তেখেত (ছাঃ)য়ে কলে, হয় তুমি বেহেস্তত প্ৰৱেশ কৰিবা। তেওঁ কলে, হে আল্লাহৰ ৰছুল ! এই ছাগলীবোৰ মোৰ ওচৰত বিশ্বস্ত হিচাপে ন্যস্ত কৰা হৈছে এইবোৰ মই কি কৰিম ? ৰছুলে কৰিম (ছাঃ)য়ে কলে যে সেইবোৰ সেনা বাহিনীৰ পৰা উলিয়াই লৈ যোৱা আৰু মুকলি পথাৰত এৰি দিয়া, আল্লাহ তা'লা নিশ্চয় তোমাৰ আমানত তোমাৰ ফালৰ পৰা আদায় কৰি দিব অৰ্থাৎ মালিকলৈ পৌচাই দিব। এনেকুৱাই হ'ল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যিসকলে

আপত্তি কৰে যে মহম্মদ (ছাঃ)য়ে যুদ্ধলব্ধ অৰ্জন কৰাৰ বাবে যুদ্ধ কৰিছিল; বিশেষকৈ খায়বৰ সম্বন্ধে এই আপত্তি উত্থাপন কৰে যে ইহুদী সকলৰ সম্পত্তি অবৈধ ভাৱে দখল কৰি অত্যাচাৰ কৰিছিল। যদি এই কথা শুদ্ধ হ'লহেঁতেন তেন্তে যুদ্ধ পৰিস্থিতিত শত্ৰু সকলৰ এজাক ছাগলী চাহাবা সকলে ভোকাতুৰ অৱস্থাত খায়বৰত বিনামূলীয়া ভাৱে যুদ্ধলব্দ পাই গৈছিল সেয়া ব্যৱহাৰ কৰিব পাৰিলেহেঁতেন। কিন্তু নবী কৰিম (ছাঃ)ৰ যুদ্ধ পৰিস্থিতিত বিশ্বস্তাৰ অধিকাৰ আদায় কৰি ছাগলীবোৰ ওভতাই দিয়াৰ নিৰ্দেশ দিছিল, ইয়াৰ পিছত তেওঁ আগবাঢ়ি গ'ল আৰু যুদ্ধত অংশগ্ৰহণ কৰি অৱশেষত শ্বহীদ বৰণ কৰিছিল। আনফালে তেওঁ ছিজদাও কৰিব পৰা নাছিল।

খায়বৰ উপলক্ষে কিছুমান ফিকি মছাইল (ন্যায়িক বিষয়)ৰ উল্লেখ পোৱা যায়। হজৰত আলী (ৰাঃ)ৰ বৰ্ণনা অনুসৰি গাধৰ মাংস খোৱা আৰু মুতাহ (কিছুকালৰ বাবে মহিলাৰ সৈতে বিয়া পতা)ক নিষিদ্ধ কৰিছে। আহলে ফিদকৰ লোকসকলে ৰছুলে কৰিম (ছাঃ)ৰ সৈতে সন্ধি কৰাৰো উল্লেখ পোৱা যায়।

খায়বৰৰ যুদ্ধলব্ধ আৰু সেইবোৰ বিতৰণ সন্দৰ্ভত হজৰত আবু হুৰাইৰা (ৰাঃ)ৰ পৰা বৰ্ণিত যে ৰছুলে কৰিম (ছাঃ)য়ে খায়বৰৰ যুদ্ধলব্ধ সামগ্ৰিকভাৱে ৩৬ ভাগত ভাগ কৰিছিল। তেখেত (ছাঃ)য়ে তাৰ মাজৰ পৰা আধা ভাগ অৰ্থাৎ ১৮ ভাগ মুছলমান সকলৰ বাবে নিৰ্ধাৰিত কৰি ৰাখিছিল। ইয়াৰে প্ৰতিটো অংশক শ অংশত ভাগ কৰিছিল অৰ্থাৎ ১৮০০ অংশত ভাগ হৈছিল। ৰছুলে কৰিম (ছাঃ)ৰ বাবেও সেই অংশৰ পৰা এটা অংশ আছিল। তেখেত (ছাঃ)য়ে বাকী আধা অংশ পৰৱৰ্তী অৱস্থা, বিষয় আৰু মুছলমান সকলৰ লগত হ'বগীয়া সমস্যাৰ বাবে সংৰক্ষণ কৰি ৰাখিছিল। খায়বৰৰ দুৰ্গৰ পৰা যেতিয়া যুদ্ধলব্ধ সংগ্ৰহ কৰি একত্ৰিত কৰা হৈছিল তাতে তৌৰাতৰ কিছু গ্ৰন্থাৱলীও আছিল। ইহুদী সকলৰ দাবী অনুসৰি তেখেত (ছাঃ)য়ে সেই কিতাপবোৰ সুৰক্ষাৰ সৈতে ওভতাই দিয়াৰ বাবে নিৰ্দেশ দিছিল। হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে আঁহজৰত (ছাঃ)য়ে ধৰ্মীয় সহনশীলতাৰ সিদ্ধতা, ধৰ্মীয় আবেগ আৰু অনুভূতিৰ বুজাবুজিৰ বাবেই তৌৰাতক সুৰক্ষাৰ সৈতে ওভতাই দিয়াৰ নিৰ্দেশ দিছিল, আজিৰ দৰে মুছলমান সকলে শত্ৰুতাবশত কোৰআন মজিদ জ্বলাই দিয়াৰ দৰে নাছিল।

খায়বৰৰ পৰা ওভতি অহা সময়ত ৱাদিল কুৰাৰ যুদ্ধৰ উল্লেখ পোৱা যায়। ৰছুলে কৰিম (ছাঃ)য়ে খায়বৰ বিজয় লাভ কৰাৰ পিছত কিছুদিন তাতে অৱস্থান কৰে, তাৰ পিছত যেতিয়া ইছলামীক সেনা বাহিনী ওভতি যোৱাৰ বাবে ৰাওনা হয় তেতিয়া ৱাদিল কুৰাত ইহুদী সকলৰ সৈতে প্ৰতিদ্বন্দ্বিতা হয়। হজৰত আবু হুৰায়ৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৱাদিল কুৰাত ৰছুলে কৰিম (ছাঃ)ৰ সৈতে এজন কৃতদাসো আছিল; ৰছুলে কৰিম (ছাঃ)ৰ (উটৰ) কুজাও নমাই আছিল তেতিয়া এটা কাঁড় আহি তেওঁৰ গাত লাগে যাৰ ফলত মৃত্যু বৰণ কৰে। লোকসকলে ক'ব ধৰিলে তেওঁৰ শ্বাহাদত কল্যাণময় হওঁক। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কলে নহয়, সেইজনাৰ শপত যাৰ হাতত মোৰ প্ৰাণ আছে সেই চাদৰ তেওঁৰ ওপৰত অগ্নি হৈ প্ৰজ্বলিত হৈ আছে যি খায়বৰৰ দিনা যুদ্ধলব্ধৰ সম্পদৰ পৰা লৈ লৈছিল যদিও সেয়া বিতৰণ হোৱাই নাছিল। এজন ব্যক্তিয়ে যেতিয়া এই কথাষাৰ শুনা পায় তেতিয়া কয় যে এইটো ভয়ঙ্কৰ কথা যে সেই চাদৰ চুৰি কৰাৰ ফলত জাহান্নামত যাব, তেতিয়া তেওঁ এটা বা দুটা

ফিতা লৈ আহি কয় যে এইবোৰ সেই বস্তু যাক মই লৈছিলো। ৰছুলুল্লাহ (ছাঃ)য়ে কয় যে এটা বা দুটা ফিতা হওঁক অগ্নিত লৈ যোৱাৰ কাৰণ হৈ পৰে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে তেখেত (ছাঃ)য়ে চাৰি দিন ৱাদিল কুৰাত অৱস্থান কৰে,তাৰ পিছত মদিনাত গৈ পায়। ইয়াৰ বিস্তাৰিত বিৱৰণ পৰৱৰ্তীত বৰ্ণনা কৰা হ'ব। ইনশা আল্লাহ-

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া মই কিছুমান মৰহুমিনৰ বিষয়ে উল্লেখ কৰিম, আৰু তেওঁলোকৰ নামাজে জানাজা গায়েব ইনশা আল্লাহ নামাজৰ পিছত পঢ়াম। প্ৰথমতে মাননীয় মাউলানা মহম্মদ কৰিম উদ্দিন শ্বাহিদ চাহাব ছদৰ ছদৰ আঞ্জুমান আহমদীয়া কাদিয়ান, বিগত দিনত ৰমজান মাহত ৮৭ বছৰ বয়সত ইহলীলা সম্বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। তেখেতে অচিয়তত অন্তৰ্ভুক্ত আছিল। তেওঁৰ পিতৃৱে বয়াত গ্ৰহণ কৰি জামাত আহমদীয়াৰ অন্তৰ্ভুক্ত হৈছিল। চিন্তাকুন্তাৰ মাননীয় ছেঠ মহম্মদ ময়িনুদ্দিন চাহাবে তেওঁক শিক্ষা অৰ্জনৰ বাবে কাদিয়ান পঠিয়াইছিল। ১৯৫৭ চনত মাদ্ৰাছা আহমদীয়াৰ পৰা শিক্ষা পৰিপূৰ্ণ কৰে। ইয়াৰ পিছত ১৯৬০ চনত পঞ্জাৱ বিশ্ববিদ্যালয় চণ্ডিগড়ৰ পৰা মৌলবী ফাজিলৰ পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত জামিয়া আহমদীয়া ৰাবৱাৰ পৰা শ্বাহিদৰ ডিগ্ৰী অৰ্জন কৰে। এইদৰে ভাৰতত শ্বাহিদ ডিগ্ৰী অৰ্জন কৰা তেখেত প্ৰথম মুৰব্বী আছিল। কাদিয়ানত বিভিন্ন ধৰণৰ সেৱা আগবঢ়োৱৰ সুযোগ লাভ কৰিছে। সেই সময়ছোৱাত ছদৰ আঞ্জুমান আহমদীয়া কাদিয়ানৰ এজন বিজ্ঞ সদস্য নিযুক্ত হৈছিল। তেখেত এডিশনাল নাজিম ওৱাকফে জাদিদ বেৰুন, ছদৰ উমুমি, ছদৰ মজলিছ ওৱাকফে জাদিদ,দুবাৰকৈ জামিয়া আহমদীয়াৰ অধ্যক্ষ হিচাপে আছিল, কাজা বোৰ্ডৰ সভাপতি আৰু মজলিছ কাৰপৰদাজৰ সভাপতি হিচাপে সেৱা আগবঢ়াইছিল। ইয়াৰ পিছত ২০২১ চনত মই তেখেতক ছদৰ আঞ্জুমান আহমদীয়াৰ সভাপতি হিচাপে নিযুক্ত দিওঁ আৰু মৃত্যু পৰ্যন্ত তেখেত এই পদত অধিষ্ঠিত আছিল।

কাদিয়ানৰ নাজিৰ আলা চাহাবে কৈছে যে মৰহুম অতি সহজ-সৰল ব্যক্তি আছিল আৰু প্ৰয়োজন সাপেক্ষে খৰচ কৰি জীৱন অতিবাহিত কৰা মানৰ আছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এইটো বাস্তৱ কাৰণ মইয়ো দেখিছো, মৰহুমক জামাতৰ ফালৰ পৰা যি টকা বা আমদানি হৈছিল সেইখিনিতেই জীৱন নিৰ্বাহ কৰিছিল। ঋণ কৰি খৰচ কৰাটো খুবেই অপছন্দ কৰিছিল। তেওঁৰ হাতৰ লিখনী অত্যন্ত সুন্দৰ আৰু উচ্চ স্তৰৰ লিখক আছিল। যেতিয়ালৈকে কম্পিউটাৰত কমপোজিংৰ ধাৰাবাহিকতা আৰম্ভ হোৱা নাছিল তেতিয়ালৈকে বদৰ পত্ৰিকা আৰু জামাতৰ কিতাপ আৰু আলোচনী সমূহ লিখাৰ সৌভাগ্য লাভ কৰিছিল। এজন ভাল বক্তা আছিল, এজন দক্ষ প্ৰবন্ধকাৰ আছিল। কাদিয়ানৰ জলছা আৰু আন আন জামাতী অনুষ্ঠানত আৰু প্ৰশিক্ষণমূলক অনুষ্ঠানত ভাষণ প্ৰদান কৰাৰ সুযোগ লাভ কৰিছে। কাদিয়ানৰ পৰা এম,টি,এৰ পৰা লাইভ সম্প্ৰচাৰিত হোৱা ৰাহে হুদা অনুষ্ঠানত দীৰ্ঘদিন ধৰি প্ৰশ্নৰ উত্তৰ দিয়াৰ সৌভাগ্য লাভ কৰিছে। বৃক্ক ৰোগত আক্ৰান্ত আছিল, বহু দুৰ্বল হৈ পৰিছিল, এয়া সত্ত্বেও বৰ সাহসেৰে নিজৰ দায়িত্ব পালন কৰিছে। তেখেতৰ আদৰ্শ সঁচাকৈয়ে অনুকৰণৰ যোগ্য। অসুস্থ আৰু দুৰ্বল স্বাস্থ্য হোৱা সত্ত্বেও তেখেতে সাহসেৰে ২০২৪ চনৰ কাদিয়ানৰ বাৰ্ষিক জলছাৰ উদ্বোধনী বৈঠকত সভাপতিত্ব কৰিছে। এইদৰে তেখেতে যোৱা শুৰাৰো সভাপতিত্ব কৰিছে। আল্লাহ তা'লাই তেখেতক ৬২ বছৰ জামাতৰ সেৱা আগবঢ়োৱাৰ সৌভাগ্য দান কৰিছে। জীৱনৰ অন্তিম

দিনত পৰিয়ালবৰ্গক এই কথা প্ৰকাশ কৰিছে যে মোৰ জন্ম ৰমজান মাহতেই হৈছে আৰু চাব মোৰ মৃত্যুও ৰমজান মাহতেই হ'ব। ২৭ পৱিত্ৰ ৰমজান মাহত তেখেত মৃত্যু বৰণ কৰিছে। তেখেত অতি সহজ-সৰল আৰু পৰিশ্ৰম কৰা ব্যক্তি আছিল। সদায় নিজৰ কাম নিজেই কৰাৰ চেষ্টা কৰিছিল কাৰো ওপৰত বোজ জাপি দিব বিচৰা নাছিল, বৰং নিজস্ব কাম নিজেই কৰিছে। বিদ্বান কৰ্মৰত মানৱ আছিল। জীৱন বিসৰ্জন দিয়াৰ যি অংগীকাৰ কৰিছিল সেই অধিকাৰ পালন কৰিছে। আল্লাহ তা'লা তেখেতৰ মৰ্যাদা উন্নত কৰক। তেখেতৰ প্ৰথম বিয়া হৈছিল ইকবাল বেগম চাহিবাৰ সৈতে যাৰ পৰা দুজন ল'ৰা আৰু তিনিজনী ছোৱালী আছে। প্ৰথম ঘৈনিয়েকৰ মৃত্যুৰ পিছত দ্বিতীয় বিয়া পাতে। সেই ঘৰৰ ল'ৰা-ছোৱালী আৰু জোঁৱাই সকলোৰে ধৰ্মৰ সেৱা আগবঢ়োৱাৰ সৌভাগ্য লাভ কৰি আছে। আল্লাহ তা'লা তেখেতৰ সন্তান-সন্ততিৰ মাজতো জামাতৰ সেৱা আগবঢ়োৱাৰ উৎসাহ প্ৰতিষ্ঠিত ৰাখক।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয় আব্দুৰ ৰাশিদ ইয়াহিয়া চাহাব ছদৰ কাজা বোৰ্ড কানাডা, মিৰ্জা ইমতিয়াজ আহমদ চাহাব আমিৰ জিলা হায়দৰাবাদ ছিন্দ, মাননীয় আলহাজ্ব মহম্মদ বিলআৰবী আলজজাইয়েৰ, মাননীয় মহম্মদ আশ্বৰফ চাহাব কোটৰী জিলা হায়দৰাবাদৰ সদগতি উল্লেখ কৰি মৰহুমিন সকলৰ উচ্চ মৰ্যাদা আৰু মাগফিৰাতৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَآ اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ. عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 4 APRIL 2025**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................

..........................................................................................................

..........................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB